স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-14 NO-137 MONDAY 22 JULY 2024

(ডিব্ৰুগড় সংস্কৰণ

# ডিএইচএছ কানৈ কলেজত পমী বৰুৱা

## শিক্ষক-কৰ্মচাৰীৰে সৌহাৰ্দ্যপূৰ্ণ আলোচনা উচ্চ শিক্ষা সঞ্চালকৰ

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২১ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ মহাবিদ্যালয়সমূহৰ অধ্যক্ষসকলৰ লগত আলোচনাত মিলিত হ'বৰ বাবে ১৯ জুলাইত ডিব্ৰুগড়ত উপস্থিত হোৱা অসমৰ উচ্চ শিক্ষা সঞ্চালক পমী বৰুৱাই কালি বিয়লি ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়ত উপস্থিত হৈ মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক ড° মৃদুল শৰ্মাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ১০ পৃষ্ঠাত



# অ'এনজিচিৰ অসম সম্পদত নিৰ্বাচন সম্পন্ন

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

OL-14 ☐ NO-137 ☐ MONDAY 22 JULY 2024 (ডিব্ৰুগড় সংস্কৰণ/D

কজনক গ্ৰেপ্তাৰ

## ৃতদেহ

হণ কৰি হঠাৎ
লীৰ পৰিয়ালৰ
ন্তদ উলিওৱাত
যৰৰ পৰা প্ৰায়
গ পুখুৰী এটাত
ওপঙি থকা
ক খবৰ দিয়ে।
হটো গৌৰীপুৰ
টো মৰণোত্তৰ
তমধ্যে প্ৰেৰণ
কিলোমিটাৰ
হানীয় ৰাইজে,
ন জনাইছে।

## র্না

গৃহত ভাৰতীয়
আৰু উচ্চতৰ
ত্ৰীৰ অভিনন্দন
প ভাত নগৰ
াত ৰাখি ছাত্ৰ-

# ডিএইচএছ কানৈ কলেজত পমী বৰুৱা

ড° শশীকান্ত শইকীয়াই মহাবিদ্যালয় পৰিয়ালৰ হৈ সঞ্চালকগৰাকীক আদৰণি জনায়। মহাবিদ্যালয়ৰ মুখ্য দ্বাৰৰ পৰা অধ্যক্ষৰ সভাকক্ষলৈ এনচিচি কেডেটে আদৰণি জনাই অনা মত বিনিময় অনুষ্ঠানত অসমৰ উচ্চ শিক্ষা সঞ্চালক পমী বৰুৱাই মহাবিদ্যালয় পৰিয়ালে তেওঁৰ প্ৰতি দেখুওৱা আদৰ আৰু আতিথ্যক সন্মান প্ৰদৰ্শন কৰি সকলোকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সঞ্চালকগৰাকীয়ে মহাবিদ্যালয়খনৰ সকলো দিশ পৰ্যালোচনা কৰি সমস্যাসমূহ সমাধান কৰাৰ আশ্বাস প্ৰদান কৰে। বহুখিনি বিষয়ত সঞ্চালকগৰাকীয়ে পৰামৰ্শ আগবঢ়ায়। মহাবিদ্যালয়খনৰ তথ্য-প্ৰযুক্তিৰ ব্যৱহাৰ, স্বচ্ছতা, শৈক্ষিক, আন্তঃগাঁথনি আদি সম্পৰ্কত অভিভূত হৈ পৰে আৰু অসমৰ অন্যান্য মহাবিদ্যালয়সমূহতো এনেধৰণৰ তথ্য-প্ৰযুক্তি ব্যৱহাৰৰ বাবে আহ্বান জনায়। মহাবিদ্যালয়খনে শৈক্ষিক দিশত দেশৰ ভিতৰত আগবঢ়োৱা অনবদ্য বৰঙণিক ভূয়সী প্ৰশংসা কৰে। লগতে সঞ্চালকগৰাকীয়ে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন অনলাইন মাধ্যমত অতি সুন্দৰকৈ অনুষ্ঠিত কৰাৰ বাবে মহাবিদ্যালয় পৰিয়ালক ভূয়সী প্ৰশংসা কৰে। সকলো দিশ সামৰি সঞ্চালকগৰাকীয়ে মহাবিদ্যালয়খনৰ পৰিয়ালক ইতিবাচক বাৰ্তা প্ৰদান কৰি মহাবিদ্যালয়খনৰ উন্নয়নৰ হকে ভৱিষ্যতে সহযোগিতা আগবঢ়াব বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত উচ্চ শিক্ষা সঞ্চালক, অসমৰ অ'এছডি প্ৰগতি দত্ত, উচ্চ শিক্ষা সঞ্চালকালয়ৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক পি কে দাসকে ধৰি ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জন চাংমাই, টেঙাখাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ যতীন্দ্ৰ নাথ গগৈ, কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, ছাত্ৰ-ছাত্ৰীৰে সম্পৰ্কৰক্ষী সমন্বয়ক ড° জ্যোতি প্ৰসাদ ফুকন, অধ্যাপক আদিত্য দাহাল, ড° দীপংকজ গগৈ, ড° বিৰাজ দত্ত, অধ্যাপিকা উৰ্মিলা ৰামচিয়াৰী, কৃষ্ণাক্ষী শইকীয়াকে ধৰি ভালেসংখ্যক কৰ্মচাৰী উপস্থিত থাকে। সঞ্চালকগৰাকীক তেওঁৰ বিভিন্ন স্মৃতিবিজড়িত এখন স্থিৰচিত্ৰ, মানপত্ৰ, গামোচা, কিতাপৰ টোপোলা প্ৰদান কৰাৰ লগতে কানৈ মহাবিদ্যালয়ৰ শিক্ষক গোট আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰা সঞ্চালকগৰাকীক সম্বৰ্ধনা জনোৱা হয়।

তৰ সুযে

চেষ্ট
ঠিয়া
প্ৰকাশ মুখ

